প্ৰতিফলিত কৰিবলৈ হ'লে আচাৰ-নীতি, ধৰ্ম, বিশ্বাস, সামাজিক প্ৰথা আৰু জাতীয় চৰিত্ৰৰ ভেটিত কাহিনীৰ বিকাশ দেখুৱাব লাগিব। কিন্তু মনত ৰাখিব লাগিব যে এইবোৰ পটভূমি বা পৰিবেশ সৃষ্টিৰ কাৰণেহে প্ৰয়োজন। এইবোৰে কাহিনীৰ গতিত জোঁট-পোট লগালে নাইবা কাহিনীক হেঁচি ধৰিলে উপন্যাসৰ চাৰুত্ব আৰু সৌষ্ঠৱ নষ্ট হয়। বৰদলৈৰ উপন্যাসৰ ঠায়ে ঠায়ে সামাজিক প্ৰথা আৰু ধৰ্মীয় সাধন প্ৰণালীৰ বিৱৰণ যে প্ৰয়োজনাতিৰিক্ত হৈছে সেই বিষয়ে সন্দেহ নাই।"

যি নহওঁক, বৰদলৈদেৱৰ সাহিত্য প্ৰতিভা নিঃসন্দেহে প্ৰশংসনীয়। বস্তুতো গ্ৰন্থত তেওঁ কোনো পূৰ্বনিৰ্দ্ধাৰিত বা পূৰ্বপৰিকল্পিত আঁচনি অনুসৰণ কৰা নাই আৰু সেয়েহে কাহিনীবোৰত কেতিয়াবা অসংলগ্নতাৰ প্ৰৱেশ ঘটিছে আৰু অপ্ৰয়োজনীয় বিষয়বস্তু আহি ঘটনাৰ সাৱলীল গতি ৰুদ্ধ কৰিছে। আচলতে এটা সু-স্পষ্ট নৈতিক ভঙ্গী গ্ৰহণ কৰাৰ বাবে তেওঁৰ প্ৰায় কেইখন উপন্যাসৰ মাজেদিয়েই ধাৰ্মিকতাৰ সোঁত এটা প্ৰবাহিত হৈছে। 'ৰঙ্গিলী' আৰু 'নিৰ্মল ভকত'ত মিষ্টিচিজমৰ সুস্পষ্ট আভাস আছে। ইয়াত ৰঙ্গিলীয়ে বৃন্দাবনলৈ গৈ সংৰামৰ কাল্পনিক মূৰ্তিত ঈশ্বৰক পাইছে আৰু নিৰ্মলে মৃত্যুৰ পূৰ্ব মুহূৰ্তত তেওঁক নিবলৈ স্বৰ্গৰ পৰা ৰথ এখন নামি অহা দেখা পাইছে। আৰু 'তাম্ৰেশ্বৰীৰ মন্দিৰ'ত তেওঁ প্ৰায় এজন ধৰ্মপ্ৰচাৰকৰ ভূমিকা গ্ৰহণ কৰা যেন লাগে।

যিকোনো প্ৰকাৰৰ উপন্যাসৰ মাজত তদানীন্তন সমাজখনৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-আদৰ্শ আৰু ধৰ্মীয়-সামাজিক অনুষ্ঠান আদিৰ বিশেষ এটা ভূমিকা থাকে প্ৰেক্ষাপট হিচাপে। ঐতিহাসিক উপন্যাসতো এনে এখন সমাজ চিত্ৰিত হয়। বৰদলৈদেৱৰ উপন্যাসত এনে সামাজিক পৰিবেশৰ চিত্ৰ অলপ বেছিকৈহে পাওঁ। কেতিয়াবা আচল কাহিনীতকৈ এইবোৰ উপাদানেই অধিক গুৰুত্ব পাইছে। উদাহৰণস্বৰূপে 'ৰঙ্গিলী'ত বিহু উৎসৱৰ অনাৱশ্যক দীঘলীয়া বৰ্ণনা, 'তাম্ৰেশ্বৰীৰ মন্দিৰ'ত দেৱী তাম্ৰেশ্বৰীৰ পূজাৰ বিস্তৃত বিৱৰণ আৰু নৰবলি দিয়াৰ প্ৰচলিত প্ৰথাৰ প্ৰয়োজনাতিৰিক্ত বিশ্লেষণ, 'ৰহদৈ লিগিৰী'ত যৌগিক কাৰ্যকলাপৰ অবিশ্বাস্য শিহৰণ সৃষ্টিকাৰী বৰ্ণনা, 'নিৰ্মল ভকত'ত বৈষ্ণৱ সাধন প্ৰণালীৰ অনাৱশ্যক দীৰ্ঘ বিৱৰণ আৰু 'মনোমতী'ত



ফল্গু উৎসৱৰ অতি দীৰ্ঘ বৰ্ণনা আৰু লিখকৰ নিজস্ব মন্তব্যবোৰৰ কথা উল্লেখ কৰিব পৰা যায়। এইবোৰ অপ্ৰয়োজনীয় অন্তৰ্ভুক্তিয়ে কাহিনীৰ সুষমা আৰু চাৰুতা যথেষ্ট পৰিমাণে লাঘৱ কৰিছে আৰু ঘটনাৰ গাঠনিক শিথিলতা প্ৰদান কৰি পাঠকৰ কাৰণে আমনিদায়ক হৈ পৰিছে। ড° শৰ্মাই এই প্ৰসংগত এনেদৰে মন্তব্য কৰিছে—

"ঐতিহাসিক ঔপন্যাসিকৰ মুখ্য কৰ্তব্য, ঐতিহাসিক কল্পনাবোধৰ দ্বাৰা বিশেষ যুগৰ সকলো স্তৰৰ স্ত্ৰী-পুৰুষ, সিহঁতৰ সামাজিক আৰু ব্যক্তিগত জীৱনৰ গতিবেগ আৰু ঘটনাক জীৱন্ত কৰি তোলা। তাকে কৰিবলৈ যাওঁতে সামাজিক ৰীতি-নীতি, ধৰ্মীয় আচৰণ আদি সংযোগ কৰিব লগাত পৰে। কিন্তু কাহিনীৰ ৰসভঙ্গ কৰি এইবোৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰিব নেলাগে। বৰদলৈদেৱে সময়ে সময়ে এই কথালৈ সমসাময়িকভাৱে পাহৰি যোৱা যেন অনুভৱ নহৈ নাথাকে।"

বৰদলৈদেৱৰ উপন্যাসৰ প্লট অজটিল কিন্তু অসংগঠিত। বিভিন্ন ঘটনাৰ সমাৱেশৰ মাজতো পাৰস্পৰিক শিথিল সংযোগৰ চিন দেখিবলৈ পোৱা যায় আৰু প্লট সংগঠিত নোহোৱা কাৰণে ঘটনাবিলাকো বিক্ষিপ্ত ৰূপত প্ৰকাশিত হৈছে। কিছু সংখ্যক চৰিত্ৰ বাস্তৱ আৰু সুগঠিত কিন্তু কাহিনী বিন্যাসত যথাৰ্থ কৌশল অৱলম্বন নকৰাৰ কাৰণে মনস্তাত্বিক বিশ্লেষণৰ সুযোগ বা সুবিধা তাত নাই।

কিন্তু উপৰোক্ত দোষ ত্ৰুটিসমূহৰ জৰিয়তে বৰদলৈদেৱৰ সাহিত্যিক প্ৰতিভাৰ মূল্যায়ন কৰাটো সমীচিন নহ'ব। যি মুখ্য উদ্দেশ্য আৰু লক্ষ্য লৈ তেওঁ ঐতিহাসিক উপন্যাসসমূহৰ ৰচনাকাৰ্যত লিপ্ত হৈছিল, সেই উদ্দেশ্য আৰু লক্ষ্যত কিমানদূৰ সফল তেওঁ হৈছে তাৰ বিচাৰ কৰাটোহে বিশেষ প্ৰয়োজন। শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামীদেৱে এই প্ৰসঙ্গত কৈছে—

"আৰ্টৰ ফালৰ পৰা তেওঁৰ উপন্যাস যিমানেই ত্ৰুটিপূৰ্ণ নহওঁক লাগে অসমীয়া সাহিত্যৰ গুৰি তেওঁৰ লেখনিয়ে শকত কৰিলে। তেওঁৰ সহানুভূতি, দেশাত্মবোধ আৰু সংস্কাৰৰ প্ৰতি আগ্ৰহ অকপট। অসমীয়া জাতীয় উৎসৱ আদিৰ প্ৰতি তেওঁ শ্ৰদ্ধাশীল, অসমীয়া বীৰ-বীৰাঙ্গনা তেওঁৰ গৌৰৱস্থল আৰু অসমীয়া জাতিৰ উন্নতি তেওঁৰ আদৰ্শ।"